# যীচুনো প্ৰকৃততে কোন হয় শিশুবিলাকে জানক

**প্ৰাৰ্থনা ঃ** “মৰমিয়াল প্ৰভু, অনুগ্ৰহ কৰি শিশুবিলাকক যীচুৱে যি জীৱন-যাপন কৰিছিল সেই জীৱনক প্ৰশংসা কৰিবলৈ আৰু তেওঁ যে সত্য ঈশ্বৰৰ সন্তান, যিজন মানুহো আহিল সেইজনত বিশ্বাস কৰিবলৈ সহায় কৰক।

এইবোৰৰ পৰা শিশুবিলাকে শিকিবলগীয়া যিকোনো এটা কাম বাছি লওক।

এজন ডাঙৰ ল’ৰা-ছোৱালীক যিৰূচালেমত যীচুৰ শেষ আৰু জয়যুক্ত প্ৰৱেশৰ বিষয়ে লূক ১৯ঃ২৮-৪০ পৰা কবলৈ দিয়ক। এই কাহিনীটোৱে যীচুক সাধাৰণ মানুহবিলাকে কেনেকৈ তেওঁলোকৰ প্ৰতিজ্ঞাৰ মচীহ আৰু গোটেই পৃথিৱীতে স্বাধীনতা আৰু শান্তি আনিবলগা ৰজা হিচাবে প্ৰশংসা কৰিছিল, সেইটোকেই দেখুৱাইছে।

কাহিনীটো কোৱাৰ পাচত, এইবোৰ প্ৰশ্ন সোধক *(উত্তৰবোৰ প্ৰত্যেকটো প্ৰশ্নৰ পিচত দিয়া আছে)।*

- যীচুৱে যিৰূচালেমত গাধ পোৱালীৰ পিঠিত উঠি সোমাবলৈ গাধ-পোৱালীটো ক’ত পাইছিল? *(৩০ পদটো চাওক)।*
- গাধ-পোৱালীৰ গৰাকীক শিষ্যবিলাকে কি বুলি কৈছিল? *(৩৪ পদটো চাওঁক)*
- মথি ২১ঃ৮ পদত এই বুলি লিখা আছে যে মানুহবিলাকে খেজুৰ গছৰ পাত বাটত পাৰি দিছিল। আন আৰু কি উপায়ে তেওঁলোকৰ আনন্দ আৰু প্ৰশংসা প্ৰকাশ কৰিছিল? *(৩৬-৩৭ পদটো চাওঁক)*
- *(৩৪ পদটো চাওঁক)*
- মানুহবিলাকক তেওঁ যদি মনে মনে থাকিবলৈ কলেহেতেন তেনেহলে কি হ’লহেতেন বুলি যীচুৱে কৈছিল? *(৩৯-৪০ পদটো চাওঁক)*

এই ঘটনাটোৰ পটভূমিটো বুজাই দিয়ক।

- যীচুৱে তেওঁৰ ক্ৰুচীয় মৃত্যুৰ আগৰ দেওবাৰ দিনটোত যিৰূচালেমলৈ আহিছিল।
- কিছুমানে সেই দিনটোক খেজুৰ দেওবাৰ বুলি কয়। কাৰণ সেই দিনা মানুহবিলাকে তেওঁ যিৰূচালেমলৈ সোমোৱা বাটতো খেজুৰ পাতেৰে সজাইছিল।



- যীচুৱে মৃত্যুৰ পৰা পুনৰুত্থিত হোৱাৰ এসপ্তাহ আগতে যিৰূচালেমত প্ৰৱেশ কৰিছিল। ইতিহাসৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো সেই সপ্তাহটোৰ ভিতৰতে ঘটিছিল।
- কিছুমান নেতা আৰু চৰকাৰী বিষয়াই তেওঁক হিংসা কৰিছিল আৰু তেওঁলোকক ক্ষমাতাচ্যুত কৰিব বুলি ভয় কৰিছিল।
- অনেক মানুহে যীচুৰ দ্বাৰাই সুস্থতা লাভ কৰিছিল আৰু পুৰনি নিয়মৰ ভাৱবাদীবিলাকে ভাবৱানী কৰা জগতলৈ আহিব লগা মচীহ তেৱেঁই যে হয় তাক জানিছিল।

- যীচু ঈশ্বৰ, যিজনে মানুহৰ ৰূপ ধাৰণ কৰিছিল। তেওঁ দূত নহয় বা ঈশ্বৰ বা মানুহৰ মাজৰ তেনে কোনো নহয়। তেওঁ ঈশ্বৰ আৰু মানুহ দুয়োটাই হয়, স্বৰ্গ আৰু পৃথিৱীৰ মাজত এডাল সাঁকো মাথোন।

লূক ১৯ঃ২৮-৪০ পদৰ পৰা যীচুৱে জয়যুক্তৰে যিৰূচালেমত প্ৰৱেশ কৰা গল্পটোৰ কিছু অংশ নাটক কৰি দেখুওৱাক।

- ল'ৰা-ছোৱালীবিলাকে এই নাটকখন দেখুৱাবৰ বাবে মুখ্য সমজুৱা উপাসনা চলাওঁতাজনৰ লগত ঠিক কৰি লওঁক।
- আপুনি ল'ৰা-ছোৱালীবিলাকক শিকোৱাৰ সময়তে সিঁহতক যুগুত কৰি লওঁক।
- সৰু ল'ৰা-ছোৱালীবিলাকে যুগুত কৰিবলৈ ডাঙৰবিলাকক সহায় কৰিব দিয়ক।
- আটাইবোৰ ভাও ল'বলৈ যদি যথেষ্ট সংখ্যক মানুহ নাই, তেনেহলে সেইবোৰ ভাও বৰ্ণনাকাৰীজনকে কবলৈ দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালী বা জ্যেষ্ঠবিলাকক যীচু, গাধ, গাধৰ গৰাকী আৰু বৰ্ণনাকাৰী, যিজনে গল্পটো সংক্ষেপে কয় আৰু ল'ৰাছোৱালীবিলাকে কি কব লাগে কি কৰিব লাগে সেইবিষয়ে মনত পেলাবলৈ সহায় কৰে, সেই ভাওবোৰ কৰিব দিয়ক।
- সৰু ল'ৰা-ছোৱালীবিলাকক শিষ্য, ফৰীচি আৰু জনতাৰ ভাওবোৰ কৰিবলৈ দিয়ক। শিষ্য আৰু জনতাৰ ভাও লোৱা ল'ৰা-ছোৱালীবিলাকৰ গছৰ ডাল, চোলা আৰু কাপোৰ আছে।

**বৰ্ণনাকাৰী ঃ** লূক ১৯ঃ২৮-৩৫ পৰা গল্পটোৰ প্ৰথম অংশখিনি কয়। তাৰ পাচত কয়, "যীচুৱে তেওঁৰ অনুগামী-সকলক কি কৈছে শুনা।"

**যীচু ঃ** "এতিয়া মই যিৰূচালেমলৈ যোৱাৰ সময়। ওচৰৰ গাওঁখনলৈ গৈ এটি গাধ পোৱালি মেলি ইয়ালৈ লৈ আঁহা। গৰাকীক কবা যে প্ৰভুৰ ইয়াত প্ৰয়োজন আছে।"

**শিষ্য ঃ** গাধটোৰ ওচৰলৈ যায়, ইয়াক খোলাৰ নিচিনা কৰে আৰু এটা চোলা তাৰ ওপৰত পাৰি দিয়ে।

**গাধৰ গৰাকী ঃ** "ৰবা ! মোৰ গাধটো তোমালোকে কি কৰিছা ?"

**শিষ্য ঃ** "প্ৰভুৰ ইয়াত প্ৰয়োজন আছে।"

**গাধৰ গৰাকী ঃ** "ঠিক আছে ! লৈ যোৱা তেনেহলে।"

**শিষ্য ঃ** গাধটো যীচুৰ ফালে লৈ যায়।

**যীচু ঃ** গাধটোৰ পিঠিত উঠে।

**গাধৰ গৰাকী ঃ** "চোৱা ! কোনেও কেতিয়াও নুঠা মোৰ গাধ পোৱালিটোৰ পিঠিত যীচুৱে উঠিছে।"

**বৰ্ণনাকাৰী ঃ** লূক ১৯ঃ৩৬-৪০ পদৰ পৰা গল্পটোৰ দ্বিতীয় ভাগটো কয়। তাৰ পাছত কয়, "লোকসমূহে কি কৈছে শুনা।"

**লোকসমূহ ঃ** যীচুৰ আগত চোলা বা কাপোৰ পাৰি দিছে। গছৰ ডালবোৰ জোকাৰি পাছত মাটিত পাৰি দিছে। চিঞৰিছে, "গৌৰৱ হওক ঈশ্বৰৰ, হোচান্না, ৰজা আহিছে।"

**ফৰীচীবিলাক ঃ** (খঙেৰে) "যীচু, তোমাৰ শিষ্যবিলাকক এনেকুৱা কথা কবলৈ বন্ধ কৰা।"

**যীচু ঃ** তেওঁলোকে যদি মনে মনে থাকে, তেন্তে শিলবোৰে আটাহ পাৰিব।

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা/ছোৱালী ঃ** নাটকখন শেষ হোৱাৰ পিচত যিবিলাকে সহায় কৰিছিল আটাইকে ধন্যবাদ দিয়ে।

**প্ৰশ্নবোৰ ঃ** ল'ৰা-ছোৱালীবিলাকে যদি নাটকখন ডাঙৰৰ বাবে কৰিছে, তেনেহলে ওপৰত দিয়া সেই একেই প্ৰশ্নবোৰ ডাঙৰবিলাকক সুধিব দিয়ক।

**কবিতা ঃ** কেইবাগৰাকী ল'ৰা-ছোৱালীক গীতমালা ১১৮ঃ২২-২৪, ২৬ আৰু ২৮ পদকেইটা আওঁৰাবলৈ দিয়ক।

যীচুক আমাৰ প্ৰভু আৰু ৰজা হিচাবে আমি আন কি কি উপায় প্ৰশংসা কৰিব পাৰোঁ ল'ৰা-ছোৱালীবিলাকক সোধক। ল'ৰা-ছোৱালী আৰু ডাঙৰবোৰকো উদাহৰণ দিবলৈ কওক।

এডাল খেজুৰ পাতৰ ডাল আঁকক আৰু ল'ৰা-ছোৱালীবিলাকক চাই আঁকিবলৈ দিয়ক।



- ডাঙৰ বিলাকে খেজুৰ গছ আঁকিবলৈ ইচ্ছা কৰিব পাৰে।



- পিচৰ উপাসনাৰ সময়ত ল'ৰা-ছোৱালীবিলাকক সিঁহতৰ ছবিবোৰ ডাঙৰবিলাকক দেখুৱাব দিয়ক, আৰু ডালবিলাকে আমি কেনেকৈ খ্ৰীষ্টক প্ৰভু আৰু ৰজা হিচাপে প্ৰশংসা কৰা উচিত তাকেই বুজাইছে বুলি বুজাই দিয়ক।

যোহন ১৪ঃ৬ পদ **মুখস্থ কৰক।**

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু ! তুমিয়েই আমাৰ একমাত্ৰ ঈশ্বৰ। আমি তোমাক সেঁৱা কৰোঁ ! যদিও, এতিয়াও কিছুমান মানুহে তুমি প্ৰকৃততে কোন হয়, সেই কথা নাজানে, আমি জানো তুমি কেনে আচৰিত। সেইবাবেই আমি তোমাৰ প্ৰশংসা কৰোঁ। তোমাৰ বিষয়ে আনক কবলৈ আমাক সহায় কৰা, যেন তেওঁলোকেও তোমাক প্ৰশংসা কৰিবলৈ আহিব।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net